জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

*প্ৰেছ বাৰ্তা নং - ৩০০/২০২১*

বিহালীৰ ঐতিহ্যমণ্ডিত গাংমৌ থান আৰু এটি প্ৰাচীন কালী মন্দিৰ দৰ্শন কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

# গাংমৌ থানৰ নিৰ্মিয়মাণ সংহত ভৱনৰ কাম দ্ৰুততাৰে সম্পূৰ্ণ কৰাৰ বাবে থান পৰিচালনা সমিতিলৈ সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস মুখ্যমন্ত্ৰীৰ

**গহপুৰৰ ঘাঁহিগাঁও ষ্টেডিয়ামৰ নিৰ্মাণৰ কাম অহা বছৰৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**

**দিছপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথ জিলাৰ বিহালী অঞ্চলস্থিত গুৰুজনাৰ স্মৃতিবিজড়িত পৱিত্ৰ গাংমৌ থান দৰ্শন কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে জীৱনৰ বহুকেইটা সৃষ্টিশীল বছৰ অতিবাহিত কৰা এই থানত উপস্থিত হৈ তেওঁ গুৰুজনাৰ শ্ৰীচৰণত সেৱা জনোৱাৰ লগতে থানত সংৰক্ষিত সাঁচিপতীয়া পুথি-পাজিসমূহো দৰ্শন কৰে। তেওঁ থানৰ ভকত-বৈষ্ণৱসকলৰ সৈতেও বাৰ্তালাপত মিলিত হয়। থান চৌহদত নিৰ্মিয়মাণ সংহত ভৱনস্থলী পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীয়ে ভৱনটোৰ কাম দ্ৰুততাৰে সম্পূৰ্ণ কৰাৰ বাবে থান পৰিচালনা সমিতিক সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি বিশ্বনাথ জিলাস্থিত মা কল্যাণী দেৱালয়ো দৰ্শন কৰি সেৱা আগবঢ়ায়। তেওঁ কয় যে এই দেৱালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰি দেৱালয়খনক পৰ্যটকৰ বাবে এক আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে গঢ় দিয়া হ'ব। মুখ্যমন্ত্ৰীয়ে আজি গহপুৰত নিৰ্মীয়মান ঘাঁহিগাঁও ষ্টেডিয়ামখনো পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্যৰ বুজ লয়। অঞ্চলটোৰ ক্ৰীড়াপ্ৰেমীসকলৰ সুবিধাৰ্থে ষ্টেডিয়ামখনৰ নিৰ্মাণৰ কাম অহা বছৰৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ তেওঁ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে বিহালী অঞ্চলৰ এটা প্ৰাচীন কালী মন্দিৰ দৰ্শন কৰি ৰাজ্যখনৰ জনসাধাৰণৰ কল্যাণৰ বাবে সেৱা আগবঢ়ায়। মহামাৰী কলেৰাৰ প্ৰাদুৰ্ভাৱৰ পৰা অঞ্চলবাসীক ৰক্ষা কৰিবলৈ এই প্ৰাচীন মন্দিৰটো প্ৰতিষ্ঠা কৰা হৈছিল বুলি ৰাইজে বিশ্বাস কৰে। প্ৰবাদ আছে যে ১৯১৩ চনত এই মন্দিৰত পূজা আৰম্ভ হোৱাৰ সময়তে এই মহামাৰীৰ অন্ত পৰিছিল।

গাংমৌ থান আৰু কালী মন্দিৰ দৰ্শন তথা ঘাঁহিগাঁও ষ্টেডিয়াম পৰিদৰ্শনৰ সময়ত সাংসদ পল্লৱ লোচন দাস, বিধায়ক ৰঞ্জিত দত্ত, প্ৰমোদ বৰঠাকুৰ আৰু উৎপল বৰাও মুখ্যমন্ত্ৰীৰ সৈতে উপস্থিত থাকে।

***সুঃদঃ***
**২৯-৯-২০২১**